**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বিৰোধী পক্ষই বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাৰ্য্য-ক্ৰমণিকা আজিও ব্যাহত হয়।

২। ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি লোকসভাত অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ উত্থাপন কৰে।

৩। এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি সংসদ ভৱনত মনোনয়ন পত্ৰ দাখিল কৰে।

৪। দিল্লীৰ কেইবাখনো বিদ্যালয়ত বোমা সংস্থাপন কৰা বুলি আজি পুৱাৰ ভাগত সংশ্লিষ্ট বিদ্যালয়সমূহলৈ অহা ভুৱা ফোনকলক কেন্দ্ৰ কৰি মহানগৰখনত আতংকৰ সৃষ্টি হয়।

আৰু

৪। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ইষ্ট বেংগল ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

বিৰোধী পক্ষই বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাৰ্য্য-ক্ৰমণিকা আজি দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বিৰোধী পক্ষৰ হুলস্থূলৰ মাজতে অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ উত্থাপন কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ কাম-কাজ বিঘ্নিত কৰাৰ বাবে বিৰোধী পক্ষৰ সদস্যসকলৰ আচৰণৰ বিৰোধিতা কৰে। তেওঁ কয়, যে বিৰোধী পক্ষই যোৱা তিনিদিন ধৰি সদনৰ কাৰ্য-ক্ৰমণিকা ব্যাহত কৰি আহিছে আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা উভতি অহা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ সাফল্যৰ বিষয়েও আলোচনা অনুষ্ঠিত কৰিব দিয়া নাই আৰু এয়া সঁচাকৈ দুৰ্ভাগ্যজনক। বিৰোধী পক্ষৰ সদস্যসকলে সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ আহ্বানলৈ কাণ-সাৰ নিদিয়ে আৰু প্ৰতিবাদ অব্যাহত ৰাখে। ফলত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ দুই বজালৈ স্থগিত ৰাখে।

দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণক লৈ আলোচনাৰ বাবে দাবী জনাই প্ৰতিবাদ কৰিবলৈ ধৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সদস্যসকলৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰি কয়, যে সদনৰ কাম-কাজ বিঘ্নিত কৰাটো যুক্তিসংগত নহয়। এনে আহ্বানৰ পাছতে বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো আজি একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। কাৰ্যক্ৰমণিকা প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত উচ্চ সদন পুনৰ মিলিত হোৱাৰ সময়ত উপ-সভাপতিয়ে প্ৰশ্নকালৰ কাম-কাজ আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজত উপ-সভাপতিয়ে সদনৰ কাম-কাজ দিনৰ দুই বজালৈ স্থগিত ৰাখে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে বিভিন্ন বিষয় লৈ ৰাজনৈতিক দলসমূহে প্ৰেৰণ কৰা সভা স্থগিতকৰণৰ ১৮ খন জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ একাংশ সদস্যই ধ্বনি দিবলৈ আৰম্ভ কৰে। উপ-সভাপতি হৰিবংশে শূন্য কালৰ কাম-কাজ আগবঢ়াই নিয়াৰ চেষ্টা চলাই কয়, যে শূণ্যকালত সাংসদসকলে ৰাইজৰ বাবে গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব পাৰে। তেওঁ লগতে প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়

যদিও বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰাখে। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপ-সভাপতিগৰাকীয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

000000000

ইলেক্‌ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি লোকসভাত অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ উত্থাপন কৰে। এই বিধেয়কখনৰ জৰিয়তে ই-ক্ৰীড়া আৰু অনলাইন ছ'চিয়েল গেমসমূহত উৎসাহ যোগোৱাৰ বিপৰীতে ধনৰ বিনিময়ত প্ৰদান কৰা ক্ষতিকাৰক অনলাইন গেমিং সেৱা, বিজ্ঞাপন আৰু এনে খেলৰ সৈতে জড়িত বিত্তীয় লেন-দেন নিষিদ্ধ কৰিব খোজা হৈছে। বিধেয়কখনত সমন্বিত নীতিগত সহযোগিতা, ৰণনীতিৰ বিকাশ আৰু খণ্ডটোৰ নিয়ন্ত্ৰণৰ বাবে অনলাইন গেমিং প্ৰাধিকৰণ নিযুক্তিৰ ব্যৱস্থা আছে। এই খেলসমূহৰ সৈতে জড়িত বিৰূপ প্ৰভাৱৰ পৰা বিশেষকৈ যুৱ-প্ৰজন্ম আৰু সহজেই বলি হ'ব পৰা লোকসকলক সুৰক্ষা প্ৰদান কৰাই বিধেয়কখনৰ মূল উদ্দেশ্য।

000000000

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি সংসদ ভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজুৰ লগতে এল জে পি আৰৰ নেতা চিৰাগ পাছোৱান, জনতা দল ইউনাইটেডৰ ৰাজীৱ ৰঞ্জন সিং আৰু এন চি পিৰ প্ৰফুল পেটেলকে ধৰি এন ডি এ মিত্ৰজোটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

মনোনয়ন পত্ৰ দাখিল কৰাৰ পূৰ্বে শ্ৰীৰাধাকৃষ্ণনে সংসদ ভৱনৰ প্ৰেৰণা স্থলত উপস্থিত হৈ দেশৰ প্ৰসিদ্ধ নেতা আৰু স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰে। পোনপ্ৰথমে তেওঁ জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ ওচৰত মূৰ দোঁৱাই শ্ৰদ্ধা নিবেদন কৰে।

ইপিনে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ INDI মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। বিৰোধীৰ INDI মিত্ৰজোঁটে বৈঠকৰ অন্তত প্ৰাক্তন ন্যায়াধীশগৰাকীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাছনি কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছতে INDI মিত্ৰজোঁটৰ অন্যতম নেতা তথা NCP-ৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰ আৰু মল্লিকাৰ্জুন খাৰ্গেই সংবাদমেলত বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰে।

অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

0000000

দিল্লীৰ কেইবাখনো বিদ্যালয়ত বোমা সংস্থাপন কৰা বুলি আজি পুৱাৰ ভাগত সংশ্লিষ্ট বিদ্যালয়সমূহলৈ অহা ভুৱা ফোনকলক কেন্দ্ৰ কৰি আতংকৰ সৃষ্টি হয়। দিল্লী অগ্নিসেৱা বিভাগে প্ৰকাশ কৰা মতে ৰাৰজধানী মহানগৰীখনৰ মালব্যনগৰ, প্ৰসাদ নগৰ ৰআৰু দ্বাৰকা অঞ্চলৰ কেইবাখনো বিদ্যালয়ত এনেধৰণৰ ভুৱা ফোনৰ জৰিয়তে আতংক বিয়পোৱা হয়। দিল্লী আৰক্ষী আৰু বোমা নিষ্ক্ৰীয়কৰণ স্কোৱাডে বিদ্যালয় চৌহদসমূহত পুংখানুপুংখভাৱে অনুসন্ধান চলাই এনে ঘটনাৰ সত্যতা নথকাটো নিশ্চিত কৰে।

0000000

দিল্লী আৰক্ষীয়ে দিল্লী মুখ্যমন্ত্ৰী ৰেখা গুপ্তাক তেওঁৰ চৰকাৰী বাসভৱনত আক্ৰমণ কৰা ঘটনাৰ অভিযুক্তক আটক কৰিছে। শাসকীয় বিজেপিয়ে এই আক্ৰমণৰ ঘটনাক নিন্দা কৰিছে। দিল্লীৰ বিজেপি সভাপতি বীৰেন্দ্ৰ সচদেৱে প্ৰকাশ কৰা মতে ঘটনাস্থলীত উপস্থিত থকা লোকে অভিযুক্তলোকজনক আবদ্ধ কৰে। আৰক্ষীয়ে ঘটনাটো সন্দৰ্ভত অধিক অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে চিকিৎসকে ইতিমধ্যে মুখ্যমন্ত্ৰীগৰাকীক স্বাস্থ্য পৰীক্ষা কৰিছে আৰু সম্প্ৰতি তেওঁ সম্পূৰ্ণ সুস্থিৰ অৱস্থাত আছে।

আম আদমী পাৰ্টীৰ নেত্ৰী তথা দিল্লী বিধানসভাৰ বিৰোধীপক্ষৰ নেত্ৰী আতিশীয়েও এই আক্ৰমণৰ ঘটনাটোক গৰিহণা দিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত তেওঁ কয় যে গণতন্ত্ৰত মতানৈক্য আৰু প্ৰতিবাদৰ স্থান আছে যদিও হিংসাৰ কোনো স্থান নাই।

০০০০০০০

ইজৰাইল আৰু অষ্ট্ৰেলিয়াৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা সংঘাতৰ মাজতে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি এলবানিজক ইজৰাইলক বিশ্বাসঘাটকতা কৰা আৰু দেশখনত বসবাস কৰা ইহুদী সম্প্ৰদায়ৰ লোকসকলক অৱহেলা কৰা বুলি দোষাৰোপ কৰিছে। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ভূমিকাক সমালোচনা কৰি শ্ৰীনেটান্যাহুৱে কয়, যে ইতিহাসে এন্থনি এলবানিজক এগৰাকী দুৰ্বল ৰাজনীতিবিদ হিচাপে মনত ৰাখিব। উল্লেখযোগ্য যে অষ্ট্ৰেলিয়াই পৰহি নেটান্যাহুৰ নেতৃত্বাধীন শাসকীয় মিত্ৰজোঁটৰ এগৰাকী সোঁপন্থী সদস্যক দেশখনত প্ৰৱেশত বাধা দিছিল আৰু ইয়াৰ প্ৰত্যুত্তৰত ইজৰাইলে অষ্ট্ৰেলিয়াৰ প্ৰতিনিধিসকলৰ পেলেষ্টাইনত প্ৰৱেশৰ ক্ষেত্ৰত প্ৰযোজ্য ভিজা প্ৰত্যাহাৰ কৰে।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কলকাতাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইষ্ট বেংগল প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত ভাগ লোৱা ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱাবাৰৰ ছেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে কালি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাস্ত কৰে। নৰ্থ ইষ্টৰ হৈ ৰিদিম ট্লাঙে বিজয়সূচক গ'লটো দিয়ে।

০০০০০০০

সমাপ্ত